# PAPER-III
## ASSAMESE

**Signature and Name of Invigilator**

1. (Signature) ___________________________
   (Name) _____________________________
2. (Signature) ___________________________
   (Name) _____________________________

OMR Sheet No. : .............................................
(To be filled by the Candidate)

Roll No. [ | | | | | | | ]
(In figures as per admission card)

Roll No.________________________________
(In words)

**J 3 6 1 4**

Time : **2 1/2** hours] [Maximum Marks : **150**

Number of Pages in this Booklet : **16** Number of Questions in this Booklet : **75**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of seventy five multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the circle as indicated below on the correct response against each item.
   **Example :** (A) (B) ● (D)
   where (C) is the correct response.
5. Your responses to the items are to be indicated in the **OMR Sheet given inside the Booklet only.** If you mark at any place other than in the circle in the OMR Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the OMR Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means such as change of response by scratching or using white fluid, you will render yourself liable to disqualification.
9. You have to return the test question booklet and Original OMR Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall. You are, however, allowed to carry original question booklet and duplicate copy of OMR Sheet on conclusion of examination.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. इस पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचहत्तर बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें । खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें ।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात् किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।**
   (iii) इस जाँच के बाद OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं । आपको सही उत्तर के वृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है ।
   **उदाहरण** : (A) (B) ● (D)
   जबकि (C) सही उत्तर है ।
5. प्रश्नों के उत्तर **केवल प्रश्न पुस्तिका के अन्दर दिये गये OMR पत्रक पर ही** अंकित करने हैं । यदि आप OMR पत्रक पर दिये गये वृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप OMR पत्रक पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, जैसे कि अंकित किये गये उत्तर को मिटाना या सफेद स्याही से बदलना तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं ।
9. आपको परीक्षा समाप्त होने पर प्रश्न-पुस्तिका एवं मूल OMR पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें । हालांकि आप परीक्षा समाप्ति पर मूल प्रश्न-पुस्तिका तथा OMR पत्रक की डुप्लीकेट प्रति अपने साथ ले जा सकते हैं ।
10. **केवल नीले/काले बाल प्वाईंट पेन का ही इस्तेमाल करें ।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।**
12. **गलत उत्तरों के लिए कोई नकारात्मक अंक नहीं हैं ।**

# ASSAMESE

## অসমীয়া

## Paper – III

## প্ৰশ্নকাকত– III

**Note :** This paper contains **seventy five (75)** objective type questions, each question carrying **two (02)** marks. Attempt **all** of them.

**টোকা :** এই প্ৰশ্ন কাকতত বহু বিকল্পীয় **(৭৫) (পয়সত্তৰ)** টা প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **দুই (২)** । সকলো প্ৰশ্নৰ উত্তৰ কৰিবা ।

তলৰ **1**ৰ পৰা **20** লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত A, B, C, D চাৰিটা বিকল্প উত্তৰ দিয়া আছে । তাৰ মাজৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ।

**1.** ৰতন পাঠক নামে পণ্ডিত পৰম ।
ভাগৱত শাস্ত্ৰে যাৰ আছিল বিক্ৰম ।।
শ্ৰী হৰিচৰণ নামে তাহান সন্ততি ।
ব্যাকৰণ পঢ়ি নাম শ্ৰী চন্দ্ৰভাৰতী ।।
'শ্ৰী চন্দ্ৰভাৰতী' উপাধি পোৱা কোনজন লোক আছিল ?

(A) ৰাম সৰস্বতী (B) অনন্ত কন্দলি
(C) শ্ৰীধৰ কন্দলি (D) কবিৰত্ন সৰস্বতী

**2.** মাধৱদেৱৰ শিক্ষাগুৰুজন –

(A) ৰাজেন্দ্ৰ অধ্যাপক
(B) মহেন্দ্ৰ কন্দলি
(C) মুকুন্দ দেৱ
(D) শঙ্কৰদেৱ

**3.** শঙ্কৰদেৱৰ কোনখন অংকীয়া নাটৰ বিষয়বস্তু পুৰাণৰ পৰা লোৱা নাই ?

(A) কেলিগোপাল (B) ৰামবিজয়
(C) পাৰিজাত হৰণ (D) পত্নী প্ৰসাদ

**4.** অসমীয়া লিপিয়ে 'হিন্দু অক্ষৰ' নাম পোৱা যুগটো হৈছে –

(A) মধ্যযুগ (B) আহোম যুগ
(C) প্ৰাচীন যুগ (D) আধুনিক যুগ

**5.** 'অসমীয়া ভাষাৰ স্বতন্ত্ৰতা' শীৰ্ষক গ্ৰন্থৰ প্ৰণেতা ?

(A) দীপঙ্কৰ মৰল (B) ৰমেশ পাঠক
(C) ভগৱান মৰল (D) নগেন ঠাকুৰ

**6.** 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক গীতৰ গীতিকাৰজন –

(A) লক্ষ্মীনাথ বেজবৰুৱা
(B) নলিনীবালা দেৱী
(C) মিত্ৰদেৱ মহন্ত
(D) হেমচন্দ্ৰ বৰুৱা

**7.** মাধৈমালতী উঠি দোকমোকালিতে
জীৱনৰ শিহঁৰণ তোলে । নদাই-ভদাই উঠি,
নাঙল-যুঁৱলি লৈ সৃষ্টিৰ কঠিয়াতলীত
গুটি সিঁচি যায় । কাৰ বাবে ?
ওপৰত উদ্ধৃত কৱিতাফাঁকিৰ কবিজন -

(A) দেৱকান্ত বৰুৱা (B) হেম বৰুৱা
(C) নৱকান্ত বৰুৱা (D) বীৰেশ্বৰ বৰুৱা

**8.** তলৰ চাৰিশ্ৰেণী শব্দৰ কোন শ্ৰেণীৰ শব্দ পৰ্টুগীজ ভাষাৰ পৰা আহিছে –

(A) তালুকদাৰ, নবাব, চুলতান, জমিদাৰ, হাকিম
(B) বুটাম, বাল্টি, গীৰ্জা, মিস্ত্ৰী, বাৰান্দা
(C) হাইজা, চাহিদা, মহঙ্গা, ভেজাল, কেলেঙ্কাৰি
(D) খাজানা, জৰীপ, বন্দোবস্ত, জমাবন্দী, মাচুল

9. হেম বৰুৱাৰ 'সাগৰ দেখিছা' গ্ৰন্থখন

(A) উপন্যাস (B) চুটিগল্প

(C) কবিতা (D) ভ্ৰমণ কাহিনী

10. 'সীমান্তৰ মাটি আৰু মানুহ' শীৰ্ষক গ্ৰন্থখনত লীলা গগৈয়ে অঙ্কন কৰিছে –

(A) অৰুণাচলৰ জীৱন ছবি

(B) মিজোৰামৰ জীৱন ছবি

(C) মণিপুৰৰ জীৱন ছবি

(D) নগালেণ্ডৰ জীৱন ছবি

11. কোনখন মৌলিক গ্ৰন্থ ?

(A) নতুন কবিতা

(B) মনত পৰেনে অৰুন্ধতী

(C) এশ বছৰৰ অসমীয়া কবিতা

(D) নৃত্যৰতা পৃথিৱী

12. 'টিকেন্দ্ৰজিৎ' নাটকৰ নাট্যকাৰ

(A) সাৰদাকান্ত বৰদলৈ

(B) অতুলচন্দ্ৰ হাজৰিকা

(C) প্ৰবীণ ফুকন

(D) লক্ষ্যধৰ চৌধুৰী

13. 'অসমীয়া গীতি সাহিত্য' গ্ৰন্থৰ প্ৰণেতা –

(A) লীলা গগৈ

(B) প্ৰফুল্ল দত্ত গোস্বামী

(C) মহেশ্বৰ নেওগ

(D) সূৰ্যকুমাৰ ভূঞা

14. তলত উল্লেখ কৰা কোনটো ধ্বন্যাত্মক শব্দ ?

(A) ঘৰ-চৰ (B) খেতি-বাতি

(C) টুলুং-ভুটুং (D) বেঙেনা-বুলীয়া

15. তলত উল্লেখ কৰা কোনজন শিশু সাহিত্যিক নহয় ?

(A) ভবেন্দ্ৰনাথ শইকীয়া

(B) নীলমণি ফুকন

(C) নৰকান্ত বৰুৱা

(D) নিৰ্মলপ্ৰভা বৰদলৈ

16. 'ওৱাংগালা' অনুষ্ঠান উদ্‌যাপন কৰে –

(A) গাৰো সকলে (B) খাচী সকলে

(C) মিচিং সকলে (D) বড়োয় সকলে

17. 'মাটি আখৰা' অপৰিহাৰ্য

(A) ভাৰত নাট্যমৰ বাবে

(B) ওডিছী নৃত্যৰ বাবে

(C) কুচিপুৰী নৃত্যৰ বাবে

(D) সত্ৰীয়া নৃত্যৰ বাবে

18. মণিপুৰী নৃত্য 'লাইহাৰাওৱা'ৰ অৰ্থ

(A) মানুহৰ উৎসৱ (B) অসুৰৰ উৎসৱ

(C) দেৱতাৰ উৎসৱ (D) বসন্ত উৎসৱ

19. কোনবিধ অলঙ্কাৰ কাণত নিপিন্ধে ?

(A) লোকাপাৰ (B) থুৰিয়া

(C) কেৰু (D) উঝন্তি

20. হেমৰ কোষেৰে ওখ দ'ল বান্ধি

ভাষাক সাৰথি কৰি

নুমাবলগীয়া অসমীয়া নাম

ৰাখিলে জিলিকা কৰি ।

এই কবিতাফাঁকিৰ ৰচয়িতাৰ নাম হ'ল –

(A) অম্বিকাগিৰি ৰায়চৌধুৰী

(B) প্ৰসন্নলাল চৌধুৰী

(C) লক্ষ্মীনাথ বেজবৰুৱা

(D) পদ্মনাথ গোহাঞি বৰুৱা

**21**-ৰ পৰা **35**-লৈ দিয়া প্ৰশ্নসমূহৰ ‘ক’ স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা ‘খ’ স্তম্ভত দিয়া বিষয়সমূহ মিলাই (A), (B), (C), (D) এই চাৰিটা বিকল্প দিয়া হৈছে । তাৰে মাজৰ পৰা শুদ্ধ বিকল্পটো চিহ্নিত কৰা ।

**21.**

| **‘ক’ স্তম্ভ** | | **‘খ’ স্তম্ভ** |
|---|---|---|
| a. অৰুণোদই | i. | সত্যেন্দ্ৰনাথ শৰ্মা |
| b. উষা | ii. | মহেশ্বৰ নেওগ |
| c. জোনাকী | iii. | লক্ষ্মীনাথ তামুলী |
| d. মৌ | iv. | নগেন শইকীয়া |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | iv | iii | ii |
| (B) | ii | iii | iv | i |
| (C) | iii | i | ii | iv |
| (D) | iv | ii | i | iii |

**22.**

| **‘ক’ স্তম্ভ** | | **‘খ’ স্তম্ভ** |
|---|---|---|
| a. ডালিমীৰ সপোন | i. | মিচিং সমাজ |
| b. মিক্ চিজিলি | ii. | নগা সমাজ |
| c. দেওলাংখুই | iii. | চাহ শ্ৰমিকৰ সমাজ |
| d. কালৰ হুমুনিয়াহ | iv. | তিৱা সমাজ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | i | iv | iii |
| (B) | i | ii | iii | iv |
| (C) | iv | iii | ii | i |
| (D) | iii | iv | i | ii |

**23.**

| **‘ক’ স্তম্ভ** | | **‘খ’ স্তম্ভ** |
|---|---|---|
| a. অসমীয়া নাট্য সাহিত্য | i. | সত্য প্ৰসাদ বৰুৱা |
| b. অসমীয়া নাট্যসাহিত্যৰ জিলিঙনি | ii. | সত্যেন্দ্ৰনাথ শৰ্মা |
| c. নাটক আৰু অভিনয় প্ৰসংগ | iii. | অতুলচন্দ্ৰ হাজৰিকা |
| d. মঞ্চলেখা | iv. | হৰিচন্দ্ৰ ভট্টাচাৰ্য |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | i | ii | iii |
| (B) | ii | iii | iv | i |
| (C) | i | ii | iii | iv |
| (D) | ii | iv | i | iii |

**24.**

| **‘ক’ স্তম্ভ** | | **‘খ’ স্তম্ভ** |
|---|---|---|
| a. মহেন্দ্ৰ বৰা | i. | জীৱনৰ দীঘ আৰু বাণি |
| b. নিৰ্মলপ্ৰভা বৰদলৈ | ii. | উপলা নদীৰ দৰে |
| c. মহেশ্বৰ নেওগ | iii. | সবিনয় নিবেদন |
| d. গৌৰীশংকৰ ভট্টাচাৰ্য | iv. | জীৱন জীৱন বৰ অনুপম |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iv | i | iii |
| (B) | i | ii | iii | iv |
| (C) | iii | i | iv | ii |
| (D) | iv | iii | ii | i |

**25.**

| **‘ক’ স্তম্ভ** | | **‘খ’ স্তম্ভ** |
|---|---|---|
| a. সংলাপ | i. | ভূপেন হাজৰিকা |
| b. সংজ্ঞা | ii. | নীলমণি ফুকন |
| c. বিন্দু | iii. | ভবেন বৰুৱা |
| d. নক্সা | iv. | চিদানন্দ ভেকা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | ii | i | iv |
| (B) | i | iv | iii | ii |
| (C) | iv | iii | i | ii |
| (D) | ii | i | iv | iii |

**26.**

| **‘ক’ স্তম্ভ** | | **‘খ’ স্তম্ভ** |
|---|---|---|
| a. পহিলা তাৰিখ | i. | অৰুণ শৰ্মা |
| b. উৰুখা পঁজা | ii. | সাৰদাকান্ত বৰদলৈ |
| c. ভোগজৰা | iii. | লক্ষ্মীধৰ চৌধুৰী |
| d. নিমিলা অঙ্ক | iv. | ফণী শৰ্মা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | iii | iv | i |
| (C) | iii | iv | i | ii |
| (D) | ii | i | iv | iii |

**27.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. Structure of Assamese — i. সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী

b. Studies in Sino-Tibetan Languages — ii. গোলোক চন্দ্ৰ গোস্বামী

c. Assamese, Its formation and development — iii. বাণীকান্ত কাকতি

d. A study on Kamrupi; A Dialect of Assamese — iv. উপেন্দ্ৰনাথ গোস্বামী

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | i | iii | iv |
| (B) | i | ii | iv | iii |
| (C) | iii | iv | ii | i |
| (D) | iv | iii | i | ii |

**28.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ — i. উপেন্দ্ৰ নাথ গোস্বামী

b. অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্যৰ চানেকি — ii. কালিৰাম মেধি

c. অসমীয়া ভাষাৰ ব্যাকৰণ আৰু ভাষাতত্ত্ব — iii. দেৱানন্দ ভৰালি

d. অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশ — iv. গোলোকচন্দ্ৰ গোস্বামী

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | i | iv | iii |
| (B) | i | ii | iii | iv |
| (C) | iii | iv | i | ii |
| (D) | iv | iii | ii | i |

**29.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. গোলাপ — i. কাৰেঙৰ লিগিৰী

b. বপুৰা — ii. ৰূপালীম

c. জুনাফা — iii. নিমাতী কন্যা

d. ৰূপকোঁৱৰ — iv. লভিতা

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iii | iv | i |
| (B) | iii | iv | i | ii |
| (C) | i | ii | iii | iv |
| (D) | iv | i | ii | iii |

**30.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. Poetry is Spontuneous overflow of powerful feelings. — i. আৰ্নল্ড

b. Poetry is musical thought. — ii. ৱৰ্ডচৱৰ্থ

c. Poetry is criticism of life. — iii. ক'লৰিজ

d. Poetry is the best words in the best order — iv. কাৰ্লাইল

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | iii | i | ii |
| (B) | ii | i | iii | iv |
| (C) | iii | ii | iv | i |
| (D) | ii | iv | i | iii |

**31.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. হেন শুনি জাম্বৱন্ত ধাইলা মহা বলবন্ত — i. কুসুমমালা

b. তোৰ মাৰ বুড়ী/পৰমা সুন্দৰী / বোলন্ত মুৰাৰি / নাহি কৰা ছুৰি — ii. ঝুমুৰী

c. হাসিয়া হাসিয়া ৰাধিকা ৰাণী কৃষ্ণক বোলন্ত মধুৰ বাণী — iii. ঝুনা

d. হেৰা হেৰা বাটৰুৱা মৰমৰ ভাইহঁত নেৰিবা নেৰিবা মোক এই মায়া বজাৰত — iv. পয়াৰ

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | i | iii | iv |
| (B) | i | ii | iii | iv |
| (C) | iii | iv | ii | i |
| (D) | iv | ii | i | iii |

32. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

a. বগেজৰী গীত i. মিচিং জনগোষ্ঠী

b. অ’ইনিতম ii. ৰাভা জনগোষ্ঠী

c. টুচু গীত iii. তিৱা জনগোষ্ঠী

d. বৰতৰ গীত iv. চাহ জনগোষ্ঠী

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | i | iv | iii |
| (C) | iii | iv | ii | i |
| (D) | iv | iii | i | ii |

33. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

a. ফুলনি i. বিশেষণ

b. বিতোপন ii. বিশেষ্য

c. তোমালোক iii. ক্রিয়া

d. খাওঁ iv. সৰ্বনাম

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | i | iv | iii |
| (B) | i | ii | iii | iv |
| (C) | iii | iv | ii | i |
| (D) | iv | iii | i | ii |

34. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

a. সত্ৰ সংস্কৃতিৰ ৰূপৰেখা i. নাৰায়ণ চন্দ্ৰ গোস্বামী

b. সত্ৰ সংস্কৃতিৰ স্বৰ্ণৰেখা ii. কেশৱানন্দ দেৱ গোস্বামী

c. সত্ৰীয়া নৃত্যৰ হাতপুথি iii. মহেশ্বৰ নেওগ

d. পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি iv. জগন্নাথ মহন্ত

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | i | iv | iii |
| (C) | iv | iii | ii | i |
| (D) | iii | iv | i | ii |

35. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

a. নন্দন তত্ত্ব-প্ৰাচ্য আৰু পাশ্চাত্য i. মনোৰঞ্জন শাস্ত্ৰী

b. সাহিত্য দৰ্শন ii. ত্ৰৈলোক্যনাথ গোস্বামী

c. সাহিত্য আৰু সাহিত্য iii. তাৰিণীকান্ত ভট্টাচাৰ্য

d. সাহিত্যৰ গতিপথ iv. হেম বৰুৱা

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iv | iii | ii | i |
| (C) | iii | iv | i | ii |
| (D) | ii | i | iv | iii |

তলৰ **36**-ৰ পৰা **50**-লৈ দিয়া প্ৰশ্নসমূহৰ প্ৰতিটো প্ৰশ্নতে উল্লেখ কৰা আলোচনী / গ্ৰন্থ / লেখক / ঘটনা আদিক সময় অনুসৰি ঐতিহাসিক ক্ৰমত তালিকাবদ্ধ কৰি (A), (B), (C) আৰু (D) চাৰিটা গোট কৰা হৈছে । তাৰ মাজৰ পৰা শুদ্ধ বিকল্পটো বাছি উলিওৱা :

36. i. মহেশ্বৰ নেওগৰ ‘অসমীয়া গীতি সাহিত্য’

ii. প্ৰফুল্ল দত্ত গোস্বামীৰ ‘অসমীয়া জন-সাহিত্য’

iii. লীলা গগৈৰ ‘অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা’

iv. হেম বৰুৱাৰ ‘এই গাঁও এই গীত’

| | | | | |
|---|---|---|---|---|
| (A) | ii | i | iv | iii |
| (B) | i | ii | iii | iv |
| (C) | iv | iii | ii | i |
| (D) | iii | iv | i | ii |

37. i. হিতেশ ডেকাৰ 'আজিৰ মানুহ'

ii. হোমেন বৰগোহাঞিৰ 'সুবালা'

iii. নৰকান্ত বৰুৱাৰ 'কপিলীপৰীয়া সাধু'

iv. বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ 'ঈয়াৰুইঙ্গম'

| | | | | |
|---|---|---|---|---|
| (A) | iv | i | ii | iii |
| (B) | iii | ii | i | iv |
| (C) | ii | iv | iii | i |
| (D) | i | iii | iv | ii |

38. i. অনন্ত কন্দলি

ii. মাধৱ কন্দলি

iii. ৰঘুনাথ মহন্ত

iv. গুণাভিৰাম বৰুৱা

| | | | | |
|---|---|---|---|---|
| (A) | ii | i | iii | iv |
| (B) | i | ii | iii | iv |
| (C) | iv | iii | ii | i |
| (D) | iii | iv | i | iii |

39. i. দেৱকান্ত বৰুৱা

ii. আনন্দচন্দ্ৰ বৰুৱা

iii. জ্যোতিপ্ৰসাদ আগৰৱালা

iv. নলিনীবালা দেৱী

| | | | | |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | i | iv | iii |
| (C) | iv | iii | ii | i |
| (D) | iii | iv | i | ii |

40. i. বাঁহী ii. জোনাকী

iii. আৱাহন iv. ঊষা

| | | | | |
|---|---|---|---|---|
| (A) | ii | iv | i | iii |
| (B) | i | ii | iii | iv |
| (C) | iv | iii | ii | i |
| (D) | iii | i | iv | ii |

41. i. অকণ ii. মইনা

iii. ৰংঘৰ iv. পখিলা

| | | | | |
|---|---|---|---|---|
| (A) | ii | iii | i | ii |
| (B) | i | ii | iv | iii |
| (C) | iv | i | iii | ii |
| (D) | iii | iv | ii | i |

42. i. পাঁচালী সাহিত্য

ii. ব্যৱহাৰিক সাহিত্য

iii. অৰুণোদইৰ সাহিত্য

iv. ৰোমান্টিক সাহিত্য

| | | | | |
|---|---|---|---|---|
| (A) | iv | iii | ii | i |
| (B) | iii | iv | i | ii |
| (C) | i | ii | iii | iv |
| (D) | iv | i | ii | iii |

43. i. চৈয়দ আব্দুল মালিকৰ 'মাটিৰ চাকি'

ii. যোগেশ দাসৰ 'ডাৱৰ আৰু নাই'

iii. নিৰুপমা বৰগোহাঞিৰ 'সেই নদী নিৰবধি'

iv. বীৰেন বৰকটকীৰ 'কুমাৰী পৃথিৱী'

| | | | | |
|---|---|---|---|---|
| (A) | iii | ii | i | iv |
| (B) | ii | iv | i | iii |
| (C) | iv | iii | ii | i |
| (D) | i | iv | iii | ii |

44. i. নিৰ্মল ভকত ii. মনোমতী

iii. মিৰি জীয়ৰী iv. ৰহদৈ লিগিৰী

| | | | | |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iv | iii | ii | i |
| (C) | ii | iv | iii | i |
| (D) | iii | ii | i | iv |

45. i. সাহিত্যৰ সাজ

ii. সাহিত্য বিদ্যা পৰিক্ৰমা

iii. সাহিত্য দৰ্শন

iv. সমালোচনা সাহিত্য

| | | | | |
|---|---|---|---|---|
| (A) | i | iv | iii | ii |
| (B) | iv | iii | ii | i |
| (C) | i | ii | iv | iii |
| (D) | iii | i | ii | iv |

46. i. বীনা বৰুবাত 'জীৱনৰ বাটৰ'

ii. পদ্ম বৰকটকীৰ 'মনৰ দাপোন'

iii. মামনি ৰয়চম গোস্বামীৰ 'মামৰে ধৰা তৰোৱাল'

iv. দেবেন্দ্ৰনাথ আচাৰ্যৰ 'কালপুৰুষ'

| | | | | |
|---|---|---|---|---|
| (A) | i | ii | iv | iii |
| (B) | ii | iii | i | iv |
| (C) | iii | iv | ii | i |
| (D) | iv | i | iii | ii |

47. i. সাদৰী ii. কেতেকী

iii. দহিকতৰা iv. নৰমল্লিকা

| | | | | |
|---|---|---|---|---|
| (A) | iii | iv | i | ii |
| (B) | iv | iii | ii | i |
| (C) | i | ii | iii | iv |
| (D) | ii | i | iv | iii |

48. i. ভাষাবিজ্ঞান

ii. ভাষাতত্ত্ব

iii. ভাষাবিজ্ঞান উপক্ৰমণিকা

iv. ভাষাবিজ্ঞানৰ ভূমিকা

| | | | | |
|---|---|---|---|---|
| (A) | ii | i | iii | iv |
| (B) | i | iv | ii | iii |
| (C) | iv | iii | i | ii |
| (D) | iii | ii | iv | i |

49. i. বৈদিক ভাষা

ii. কথ্য সংস্কৃত

iii. অৱহট্‌ঠ

iv. মহাৰাষ্ট্ৰী প্ৰাকৃত

| | | | | |
|---|---|---|---|---|
| (A) | i | ii | iv | iii |
| (B) | ii | iii | i | iv |
| (C) | iii | iv | ii | i |
| (D) | iv | iii | i | ii |

50. i. সুবাসিত যি যন্ত্ৰণা

ii. মাটিৰ পৰা মেঘলৈ

iii. পৰীৰ বাঁহী

iv. চুলি নাবান্ধিবা যাজ্ঞসেনী

| | | | | |
|---|---|---|---|---|
| (A) | iii | iv | ii | i |
| (B) | i | iv | iii | ii |
| (C) | ii | iii | i | iv |
| (D) | i | ii | iv | iii |

তলৰ **51**ৰ পৰা **65** লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি A, B, C, D চাৰিটা বিকল্প দিয়া হৈছে । তাৰ মাজৰ পৰা তুমি শুদ্ধ বুলি ভবা মতটো বাছি উলিওৱা ।

51. সংস্কৃত ভাষাৰ দন্ত্য আৰু মূৰ্দ্ধন্য ধ্বনিবোৰৰ উচ্চাৰণ অসমীয়া ভাষাত দন্তমূলীয় হোৱাৰ কাৰণ –

(A) অসমীয়া আৰু তিব্বতবৰ্মীয় লোকসকল দীৰ্ঘদিনধৰি সহাৱস্থান কৰাৰ বাবে ।

(B) অসমীয়া ভাষা তিব্বতবৰ্মীয় লোকসকলে ব্যৱহাৰ কৰা বাবে ।

(C) অসমীয়া ভাষাত তিব্বতবৰ্মীয় ভাষাৰ প্ৰভাৱৰ বাবে ।

(D) অসমীয়াভাষীৰ মাজত তিব্বতবৰ্মীয় ভাষীসকলে বসবাস কৰাৰ বাবে ।

52. শুদ্ধ বুলি ভবা মতটো বিচাৰি উলিওৱা

"কাব্যং গ্ৰাহ্যমলঙ্কাৰাৎ, সৌন্দৰ্যমলঙ্কাৰ –"

উক্তিটোৰ চাৰিটা অৰ্থ দিয়া আছে । শুদ্ধ উত্তৰটো বিচাৰি উলিওৱা –

(A) কাব্যৰ গ্ৰহণযোগ্যতাৰ কাৰণ হ'ল অলঙ্কাৰ আৰু সৌন্দৰ্যই হৈছে অলঙ্কাৰ

(B) কাব্যৰ উপাদেয়তাৰ কাৰণ হ'ল অলঙ্কাৰ আৰু অলঙ্কাৰ মানে সৌন্দৰ্য ।

(C) কাব্যৰ উপযুক্ততাৰ কাৰণ হ'ল অলঙ্কাৰে সৌন্দৰ্য বৃদ্ধি কৰে ।

(D) কাব্যৰ শোভাবৰ্দ্ধনৰ কাৰণ হ'ল অলঙ্কাৰ আৰু অলঙ্কাৰে সৌন্দৰ্য বৃদ্ধি কৰে ।

53. লুইতৰ পাৰৰে আমি ডেকা ল'ৰা মৰিবলৈ ভয় নাই -

কবিৰ মতে –

(A) অসমীয়া ডেকাল'ৰাই দেশৰ বাবে মৃত্যুকো জিনিব পাৰে ।

(B) অসমীয়া ডেকাল'ৰা মহাবাহুৰ দৰে গতিশীল

(C) অসমীয়া ডেকা ল'ৰাৰ মন লুইতৰ দৰে চিৰ প্ৰৱাহমান

(D) অসমীয়া ডেকা ল'ৰাই লুইতৰ পাৰত বাস কৰে ।

54. পূবা পশ্চিমাকৈ সাজিবা ঘৰ ।
অকাল মৃত্যুক নাহিকে ডৰ ।।
পূবে ধোঁৱা উত্তৰে গুৱা ।
দক্ষিণে ধলি পশ্চিমে গলি ।।

উপৰত উল্লেখ কৰা বাক্যকেইশাৰী হ'ল ?

(A) ফকৰা যোজনা (B) খন্ডবাক্য

(C) ডাকৰ বচন (D) সাঁথৰ

55. মাদুৰী চহৰত ডাঙৰ হৈ আছিলো
বৰগোঁহাইৰ আছিলো জী ।
গদাপানি কোঁৱৰে নিলে তুঙ্গখুঙলৈ
চকলং বিয়াকৈ দি ।।

ওপৰত উল্লেখ কৰা গীতাংশ কোনবিধ গীতৰ অন্তৰ্গত ?

(A) মণিকোঁৱৰৰ গীত

(B) ফুলকোঁৱৰৰ গীত

(C) জয়মতী কুঁৱৰীৰ গীত

(D) জনা গাভৰুৰ গীত

56. 'দেৱকান্ত বৰুৱা ক্ৰান্তিৰ কবি, নতুন পথৰো কবি ।' কাৰণ

(A) তেওঁ ৰোমান্টিক কবিতাৰ আদৰ্শৰ পৰা আঁতৰি আহিছিল ।

(B) তেওঁ নতুন কবিতাৰ বাট মুকলি কৰিছিল ।

(C) তেওঁ ৰোমান্টিক প্ৰেমৰ কবিতাত এক অভিনৱ ভঙ্গি প্ৰয়োগ কৰিছিল ।

(D) তেওঁ ৰোমান্টিক যুগৰ শেষৰ কবি হৈ নতুন কবিতাৰো পথ মুকলি কৰিছিল ।

**57.** অসমীয়া সংস্কৃতিত বাঁহ-সংস্কৃতিয়ে বিশেষ স্থান লাভ কৰাৰ কাৰণ –

(A) দ্ৰাবিড় সংস্কৃতিৰ প্ৰভাৱ

(B) অষ্ট্ৰিক সংস্কৃতিৰ প্ৰভাৱ

(C) মঙ্গোলীয় সংস্কৃতিৰ প্ৰভাৱ

(D) আৰ্য সংস্কৃতিৰ প্ৰভাৱ

**58.** 'ৰাতিপুৱা উঠি খাই তিনি চিলিম ভাং
বম্ বম্ বুলি বোপাই টোপনিটো ভাং'
কবিতাফাঁকিৰ অৰ্থ বিশ্লেষণ কৰিলে –

(A) ইয়াত 'ভাং' শব্দটো দুবাৰ বহিছে, কিন্তু অৰ্থ দুটা সমাৰ্থক ।

(B) 'ভাং' শব্দৰ দুটা অৰ্থ আছে, এটা হৈছে 'গাজা' আৰু আনটো হৈছে টোপনি 'ভঙা'

(C) প্ৰতিটো শাৰীৰ শেষত 'ভাং' শব্দটো ব্যৱহাৰ হৈছে ।

(D) 'ভাং' শব্দ দুটাৰ এটা সাৰ্থক আৰু আনটো নিৰৰ্থক ।

**59.** 'জিলিকা পাখিৰে হাঁহে ৰবিৰ কিৰণ
জিলিকা পাখিৰে নাচি ফুৰে অগণন ।'
এই কবিতাফাঁকিৰ ছন্দসজ্জা বিশ্লেষণ কৰিলে পোৱা যায় –

(A) কবিতাফাঁকিত পয়াৰ ছন্দ প্ৰয়োগ ঘটিছে, ইয়াৰ আখৰৰ সংখ্যা ৬ + ৮ আৰু ৬ + ৮

(B) কবিতাফাঁকিত সমান আখৰৰ দুটা শাৰী আৰু চাৰিটা স্তৱক আছে যদিও স্তৱক কেইটিৰ আখৰৰ মিল নাই ।

(C) কবিতাফাঁকিত দুটা শাৰী আছে আৰু প্ৰতিটো শাৰীত ১৪ + ১৪ মুঠ আঠাইশটা আখৰ আছে । যতিৰ সংখ্যা চাৰিটা, আখৰৰ সংখ্যা ৮ + ৬, ৮ + ৬

(D) কবিতাফাঁকিত দুলড়ী ছন্দৰ প্ৰয়োগ ঘটিছে, যিহেতু চাৰিটা যতিৰ আখৰৰ সংখ্যা সমান ৮ + ৬, ৮ + ৬

**60.** কঁপনি, জাননি, জিৰণি, জুৰণি, বুজনি আদিক বিসমবৰ্গীয় শব্দসাধনমূলক শ্ৰেণীত ধৰা হয় । কাৰণ –

(A) √কঁপ, √জান, √জিৰ, √জুৰ, √বুজ আদিৰ লগত কৃৎপ্ৰত্যয় যোগ হৈ নতুন শব্দ সাধন হৈছে ।

(B) √কঁপ, √জান, √জিৰ, √জুৰ, √বুজ আদিৰ লগত তদ্ধিত প্ৰত্যয় যোগ হৈ নতুন বিশেষ্য শব্দ সাধন হৈছে ।

(C) √কঁপ, √জান, √জিৰ, √জুৰ, √বুজ আদি ধাতুসমূহৰ লগত কৃৎপ্ৰত্যয় যোগ হৈ নতুন / বিশেষণ শব্দ সৃষ্টি কৰিছে আৰু মূলৰ লগত শ্ৰেণী পৰিবৰ্তন ঘটিছে ।

(D) √কঁপ, √জান, √জিৰ, √জুৰ, √বুজ আদি ধাতুৰ লগত কৃৎপ্ৰত্যয় যোগ হৈ নতুন বিশেষ্য শব্দ সাধন হৈছে আৰু মূলৰ লগত শ্ৰেণী পৰিবৰ্তন ঘটিছে ।

**61.** বিভিন্ন জনগোষ্ঠী আৰু সংস্কৃতিৰ সন্মিলিত উপাদানেৰে ভাৰতীয় সংস্কৃতিৰ বৰ ভেঁটি ৰচনা হৈছে । ইয়াৰ পৰা নিসন্দেহে ক'ব পাৰি যে–

(A) ভাৰতীয় সংস্কৃতি মূলতঃ আৰ্য সংস্কৃতিৰ সংমিশ্ৰণ ।

(B) ভাৰতীয় সংস্কৃতিত বিভিন্ন আৰ্যভিন্ন সংস্কৃতিৰ প্ৰতিফলন ঘটিছে ।

(C) ভাৰতীয় সংস্কৃতি সমন্বয়ৰ সংস্কৃতি ।

(D) ভাৰতীয় সংস্কৃতিত ভাৰতীয়ত্বৰ প্ৰতিফলন ঘটিছে ।

62. তোৰ নিন্দাবাণী আমাক নপাৱে
শুন অনাচাৰ বাম ।
যতেক কুকুৰে কামোৰ মাৰয়
তথাপি আঠুৰ নাম ।।

(A) এইটো দৃষ্টান্ত অলংকাৰৰ উদাহৰণ । কাৰণ এটা বাক্যাৰ্থৰ প্ৰমাণ স্বৰূপে দাঙিধৰা বাক্যাংশ বিম্ব প্ৰতিবিম্ব ৰূপত দৃষ্ট হোৱা নাই ।
(B) এই কবিতাফাঁকিত এটা বিশেষ বাক্যাৰ্থৰ প্ৰমাণ স্বৰূপে আন এটা অনুৰূপ বাক্যাৰ্থ বিম্ব প্ৰতিবিম্ব ৰূপত দাঙি ধৰা বাবে দৃষ্টান্ত অলংকাৰ হৈছে ।
(C) এইটো দৃষ্টান্ত অলংকাৰ এই বাবে যে প্ৰতিবস্তুপমাৰ নিচিনাকৈ ইয়াৰ বাক্যাংশ দুটা নিৰপেক্ষ নহয় ।
(D) দৃষ্টান্ত অলংকাৰ হবলৈ দুটা নিৰপেক্ষ বাক্য হব নালাগে আৰু এটা বাক্যৰ প্ৰমাণ স্বৰূপে আন এটা বাক্য প্ৰতিপন্ন কৰিব নালাগে ।

63. তুলনামূলক সাহিত্যৰ পদ্ধতি সম্পৰ্কত এইটো প্ৰাথমিক আৰু নিশ্চিত কথা যে এটাতকৈ অধিক সাহিত্য অধ্যয়নৰ বাবে তুলনাই হ'ল প্ৰধান আহিলা ।

(A) তুলনা কৰাটো মানুহৰ স্বভাৱ বাবে সাহিত্যৰ মাজত তুলনা কৰিব বিচাৰে ।
(B) তুলনা হ'ল তুলনামূলক সাহিত্যৰ ক্ষেত্ৰত তুলনা বিশেষজ্ঞই সম্পূৰ্ণ সচেতন ভাবে কৰা প্ৰাথমিক কাম ।
(C) তুলনামূলক সাহিত্যত কেতিয়াবাহে তুলনাক নিশ্চিত ভাবে গুৰুত্ব প্ৰদান কৰা হয় ।
(D) তুলনামূলক সাহিত্যই কোনো পদ্ধতিকে নিশ্চিত বুলি দাবী নকৰে ।

64. ৰাতিয়া > ৰাইতা, কাতিয়া > কাইতা আদি কামৰূপী উপভাষাত হোৱা শব্দৰ ধ্বনি পৰিবৰ্তনক অপিনিহিতি বোলা হয় । কাৰণ –

(A) কামৰূপী উপভাষাত শব্দৰ মাজত থকা ব্যঞ্জন ধ্বনিৰ পাছত ই বা উ স্বৰধ্বনি উচ্চাৰণ হোৱাৰ বাবে ধ্বনিৰ পৰিবৰ্তন ঘটিছে ।
(B) শব্দৰ মাজত থকা ই বা উ স্বৰধ্বনি কামৰূপী উপভাষাত পূৰ্বৰ ব্যঞ্জন ধ্বনিৰ আগলৈ আহি উচ্চাৰিত হোৱাৰ ফলত ধ্বনিৰ পৰিবৰ্তন ঘটিছে ।
(C) কামৰূপী উপভাষাত দ্বিতীয় অক্ষৰত থকা ই বা উ স্বৰধ্বনিৰ পাছৰ অক্ষৰত থকা ব্যঞ্জন ধ্বনিৰ আগলৈ আহি উচ্চাৰিত হোৱাৰ ফলত ধ্বনিৰ পৰিবৰ্তন ঘটিছে ।
(D) কামৰূপী উপভাষাত প্ৰথম অক্ষৰত থকা ই বা উ স্বৰধ্বনি পাছৰ অক্ষৰত থকা ব্যঞ্জনধ্বনিৰ আগত বহাৰ ফলত ধ্বনিৰ পৰিবৰ্তন ঘটিছে ।

65. 'দুবৰি বনত মুকুতাৰ মণি
চুলিৰ মেঘত লাহী আঙুলিৰ বহুতো জোন ।'
এই কবিতা ফাঁকিৰ অৰ্থ হৈছে –

(A) দুবৰি বনত নিয়ৰৰ টোপাল পৰি বহুতো মুকুতামণি জিলিকি উঠিছে । মেঘৰ মাজত জোনৰ পোহৰ দেখা গৈছে ।
(B) দুবৰি বনত মুকুতা মণিয়ে শেষ নিশাৰ সময়ৰ সংকেত দিয়ে । চুলিৰ দৰে ক'লা মেঘত জোনে যেন আঙুলি বুলাইছে ।
(C) দুবৰি বনত মুকুতা মণিয়ে দিয়ে সময়ৰ উমান অৰ্থাৎ শেষ নিশাৰ সময় । চুলিৰ মাজত হাত বুলাই দিওঁতে চুলিৰ ফাকে ফাকে আঙুলিবোৰ জিলিকি উঠিছে, যেন মেঘৰ মাজত জোনহে ।
(D) দুবৰি বনত মুকুতা মণি জিলিকি উঠাৰ দৰে জোনৰ পোহৰ পৰি চুলিবোৰো জিলিকি উঠিছে ।

তলত দিয়া কথাখিনি মনোযোগেৰে পঢ়ি **66** অৰ পৰা **70** লৈ দিয়া প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰটো (A), (B), (C) আৰু (D) ৰ মাজৰ পৰা বাছি উলিওৱা :

বেজবৰুৱাৰ পুৰণি সাহিত্য বিষয়ক কাৰ্যৱলীয়ে বৰ্ত্তমান অসমীয়া সাহিত্য আৰু জাতীয় জীৱন পুনৰ গঠন কৰিবলৈ কেনেকৈ ডাঙৰ সহায় কৰিলে সেই বিষয়েহে আলোচনাৰ আমাৰ আৱশ্যক । অসমীয়া জাতি ঠিক সেই সময়তো বা তাৰ কিছু আগৰেপৰা এটা ডাঙৰ ৰাজনৈতিক পৰিবৰ্ত্তনৰ মাজেদি যাবলগীয়া হোৱাত কেবাটাও সমস্যাই আহি অসমীয়াৰ আগত থিয় দিলেহি । য়ুৰোপীয় সভ্যতা আহি অসমীয়াৰ দুৱাৰ-ডলিত থিয় দি অসমীয়াৰ আগত এটা আচহুৱা সমাজ সভ্যতা, সাহিত্য আৰু কৃষ্টি দাঙি ধৰিলেহি । বিজয়ী জাতি এটাৰ আগত সেও মানি, বিশেষকৈ মানৰ অত্যাচাৰৰ পিছত শৰণাপন্ন হৈ নিজৰ শৌৰ্যবীৰ্য্যৰ ওপৰত আস্থা হেৰুৱাৰ লগে লগে নিজকে সকলো বিষয়ে হীন দেখিবলৈ ধৰিলে । বিশেষকৈ বিজ্ঞানৰ মহিমাত অসমীয়াই সেই জাতি নিজতকৈ বহু ওপৰ শাৰীৰ জাতি বুলি মানি লৈ বিদেশী জীৱনৰ ৰেহ-ৰূপ, সভ্যতা, কৃষ্টি, সাহিত্য, সকলোলৈকে, বিস্ময়ৰে, ভয়ৰে আৰু ভক্তিৰ চকুৰে চাবলৈ লোৱাত স্বাভাৱিকতে নিজৰ সকলোলৈকে এটা হেয় ভাব পোষণ কৰিবলৈ ধৰিলে । যেই মাত্ৰ জাতিৰ এনে নীচাত্মিকা মনোবৃত্তি উপজিল, সেই মাত্ৰ অসমীয়া জাতিৰ গাত বিজতৰীয়া হোৱাৰ ব্যাধিয়ে বাহ লৈ অসমীয়াৰ জাতীয় জীৱন, সাহিত্য আৰু কৃষ্টিৰ বিশিষ্টাত্মক লাহে লাহে খীণোৱাই শুকুৱাই নিয়াবলৈ ধৰিলে । ইয়াতে যদি ৰোগ চাই উপযুক্ত ঔষধ নপৰিলেহেঁতেন তেন্তে অসমীয়া জাতি আজি ভৌগোলিক সীমাৱদ্ধ হৈ মাথোন অসমীয়া হৈ থাকি নিজৰ জাতীয় বৈশিষ্ট্য হেৰুৱাই অসমৰ কাষৰীয়া কোনো প্ৰবল জাতিৰ, নিজ বৈশিষ্ট্যবৰ্জ্জিত এটা জাতীয় বিভাগ হবলগীয়া হ'লগৈহেঁতেন । কিন্তু শ্ৰীশঙ্কৰদেৱৰ অসমীয়া জীৱনৰ সোঁমাজতে সোমাই থকা প্ৰভাৱ আৰু শক্তিয়ে তাক বেগেতে হবলৈ নিদি বাধা দিলে আৰু লক্ষ্মীনাথৰ আগৰ আৰু সমসাময়িক মহান অসমীয়া সন্তান কেজনমানে সেই অসমীয়া জাতীয়তাৰ মৰণোন্মুখ গতি ৰোধ কৰিলে- পুৰণি সাহিত্য খোঁটালিৰপৰা মৃতসঞ্জীৱনী আনি । এই কেবাগৰাকী মৃতসঞ্জীৱনী আনোতাৰ ভিতৰত লক্ষ্মীনাথেই প্ৰধান আৰু পৰ পালি দি অসমী আইৰ শিতানত বহি দিনে-ৰাতিয়ে ছেদভেদ নোহোৱাকৈ শুশ্ৰুষা কৰি সময়ৰ ঔষধ সময়ত খুৱাই শয্যাশায়ী অৱস্থাৰপৰা ফুলনিত ফুৰিব পৰা অৱস্থালৈকে কৰোঁতাও হৈছে বেজবৰুৱা লক্ষ্মীনাথেই । হতশ্ৰী হবলৈ ধৰা জাতীয়ত্বক লক্ষ্মীনাথেই জয়শ্ৰীমণ্ডিত কৰিলে । লুইতত উটি ভটিয়াই যোৱা সাহিত্যৰ লখিমীক লক্ষ্মীনাথে ওভোতাই আনি আকৌ সাহিত্যৰ মন্দিৰৰ পুৰণি সাহিত্যৰ সাতখলপীয়া সোণৰ সিংহাসনত খিলঞ্জীয়াকৈ থাপিলে । মুঠতে লক্ষ্মীনাথে দেশ ৰাখিলে ।

সাহিত্যৰ মাজেদিয়েই পৃথিৱীৰ জাতিৰ জাতীয় জীৱন গঢ়ি উঠিব লাগিছে, সভ্যতাৰ ক্ৰমবিকাশ আৰু ভাব ৰাজ্যৰে বিপ্লৱপ্ৰসূত ৰাজনৈতিক পৰিবৰ্তন হ'ব লাগিছে ।

**66.** অসমীয়া সাহিত্য আৰু জাতীয় জীৱন পুনৰ গঠন কৰাত বেজবৰুৱাই কেনে পদক্ষেপ গ্ৰহণ কৰিছিল ?

(A) অসমীয়া জাতীয় সাহিত্যৰ মৰণ পথত মৃত সঞ্জীৱনী দানৰ জৰিয়তে ।

(B) পুৰণি সাহিত্যৰ ভঁড়ালৰ পৰা নানা উপাদান সংগ্ৰহৰ জৰিয়তে ।

(C) পুৰণি সাহিত্য কোষৰ পৰা প্ৰাণ দান দিয়া উপাদান সংগ্ৰহৰ জৰিয়তে ।

(D) পুৰণি সাহিত্যৰ মাজত অন্তৰ্নিহিত সাহিত্যকোষৰ পৰা সমল সংগ্ৰহৰ জৰিয়তে ।

**67.** য়ুৰোপীয় সভ্যতাই অসমীয়াৰ আগত কেনে দৃষ্টিভঙ্গী দাঙি ধৰিলে

(A) অসমৰ সমাজ-ব্যৱস্থা, কৃষ্টি, ভাষা-সাহিত্য আদিত আচহুৱা ৰূপৰ যোগান ধৰিলে

(B) অসমৰ সমাজ, সভ্যতা, কৃষ্টি-সাহিত্যত নতুন ভাৱধাৰাৰ প্ৰচলন কৰিলে

(C) অসমৰ সমাজ জীৱন আৰু সভ্যতা-কৃষ্টিত নব্য ধ্যান-ধাৰণা জাগ্ৰত কৰিলে ।

(D) অসমীয়াৰ সমাজ-সভ্যতা আৰু সাহিত্যত এক নোহোৱা নোপোজা দৃষ্টিভঙ্গী দাঙি ধৰিলে ।

**68.** অসমীয়াৰ নীচাত্মিকা মনোবৃত্তি কিয় উপজিছিল

(A) বিদেশী জীৱন চৰ্যা আঁকোৱালি লৈ তেওঁলোকৰ ভাষা-সাহিত্য কৃষ্টি আদিক ভয় আৰু ভক্তিৰে চোৱাৰ বাবে ।

(B) বিদেশী জীৱনৰ ৰেহ-ৰূপত পৰি নিজৰ ভাষা-সাহিত্য কৃষ্টিক বিদেশী ভাবেৰে সজাই-তুলিবলৈ বিচৰাৰ বাবে ।

(C) অসমীয়া জাতিয়ে নিজৰ ভাষা-সাহিত্য, সভ্যতাক ভয় আৰু ভক্তিৰ চকুৰে চাবলৈ লোৱা বাবে ।

(D) বিদেশী ভাষা-সাহিত্য কৃষ্টি অসমীয়া জাতিয়ে নিজৰ কৰি লোৱাৰ বাবে ।

**69.** অসমীয়া জাতীয়তাক মৰণৰ মুখৰ পৰা উদ্ধাৰ কৰা লোক কেইজন

(A) শংকৰদেৱ আৰু লক্ষ্মীনাথ বেজবৰুৱা

(B) শংকৰদেৱৰ পাছৰ মহান লোকসকল

(C) লক্ষ্মীনাথ বেজবৰুৱাৰ আগৰ আৰু সমকালৰ লোকসকল

(D) শংকৰদেৱৰ সমসাময়িক মহান অসমীয়া সকল

70. লুইতত উটি ভটিয়াই যোৱা সাহিত্যৰ লখিমীক লক্ষ্মীনাথে ওভোটাই আনি আকৌ সাহিত্যৰ মন্দিৰত পুৰণি সাহিত্যৰ সাত খলপীয়া সোণৰ সিংহাসনত খিলঞ্জীয়াকৈ থাপিলে ।

– এই কথাষাৰৰ যুক্তি হৈছে

(A) লক্ষ্মীনাথ বেজবৰুৱাই পাশ্চাত্য সাহিত্যৰ কবলৰ পৰা অসমীয়া সাহিত্যক মুক্ত কৰি নতুন ৰূপত প্ৰতিষ্ঠা কৰিলে ।

(B) য়ুৰোপীয় সভ্যতা-সংস্কৃতিয়ে গ্ৰাস কৰা অসমীয়া সাহিত্যক লক্ষ্মীনাথ বেজবৰুৱাই উটি যাব নিদিয়াকৈ ৰক্ষা কৰিলে ।

(C) লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যক বিদেশী কবলৰ পৰা মুক্ত কৰি আনি সমৃদ্ধিশালী ৰূপত প্ৰতিষ্ঠা কৰিলে ।

(D) লক্ষ্মীনাথ বেজবৰুৱাই বিদেশী সাহিত্যৰ প্ৰভাৱত স্বকীয়তা হেৰোৱাৰ উপক্ৰম হোৱা অসমীয়া সাহিত্যক পুৰণি সাহিত্যৰ উপাদানেৰে সমৃদ্ধ কৰি জাতীয় ৰূপত প্ৰতিষ্ঠা কৰিলে ।

তলৰ পাঠাংশটি মনোযোগেৰে পঢ়া আৰু তাৰ তলত **71** ৰ পৰা **75** লৈ দিয়া প্ৰশ্নকেইটাৰ শুদ্ধ সঠিক উত্তৰটো (A), (B), (C) আৰু (D) ৰ মাজৰ পৰা বাছি উলিওৱা :

বিহুগীতসমূহ বিশ্লেষণ কৰিলে তাত অসমৰ প্ৰকৃতিৰ প্ৰধান চাৰিটা চিত্ৰ ৰূপায়িত দেখা যায় । সেয়ে হৈছে অসমৰ নদ-নদী, গৰু-ম'হ চৰণীয়া উদং চাপৰি আৰু জীৱন ধাৰণত সমল যোগোৱা বহল পথাৰ, প্ৰকৃতিৰ সঞ্চয়ভড়াল পৰ্ব্বতৰাজি আৰু বিচিত্ৰ বৰ্ণ আৰু মধুৰ সঙ্গীত সৃষ্টি কৰা পশু-পক্ষীসমূহ । অসমীয়া সভ্যতা কৃষি জীৱনৰ সভ্যতা; কৃষি-জীৱন সহজ নদীৰ পাৰত । সেইদেখি সাধাৰণ মানুহৰ প্ৰাচীন প্ৰজ্ঞাৰ ওপৰত ভেটি কৰি অসমীয়াত – "কুল ল কুল ল নদীৰ কুল ল" প্ৰবচনৰ সৃষ্টি হৈছে । অসমীয়া সভ্যতা যুগ যুগ ধৰি লুইত ব্ৰহ্মপুত্ৰৰ পাৰতে বৰ্দ্ধিত হৈছে । এই নদ অসমৰ অধিষ্ঠাতা দেৱতা, (উটুৱাই নিনিবা ব্ৰহ্মপুত্ৰ দেৱতা, তামোল দি মাতোঁতা নাই) । লুইতৰ পানীয়ে অসমৰ পথাৰ শ্যামল কৰাৰ উপৰিও চিৰি লুইতৰ বুকুত পাৰি দিয়েই সতী বেউলাৰ দৰে অসমীয়া জীয়ৰীয়ে অসীমৰ পথত উজাই গৈছিল । পৰশুৰাম কুণ্ডকে আৰম্ভ কৰি মাজুলীৰ চাৰি সত্ৰক বুকুত লৈ অসমীয়াৰ ধ্যান-ধাৰণাৰ তীৰ্থক্ষেত্ৰসমূহ লুইতৰ পাৰতে অৱস্থিত । লুইতৰ বাঢ়নী ঢল, পাৰৰ চাপৰি, কহুৱা বন, ৰূপালী বালি, বুকুৰ শিহু-ঘড়িয়ালে অসমীয়াৰ অনুভূতিক যুগে যুগে উদ্দীপ্ত আৰু বিস্ময়ান্বিত কৰি আহিছে । "লুইতৰে বালি, বগী ধকে ধকি, কাছই কণী পাৰে লেখি", "চিৰিপ চিৰিপ

কৰি কাপোৰ ধুই আছিলোঁ চিৰি লুইতলৈ চাই" – আদি ৰমণীয় চিত্ৰই লুইতক অধিক আকষণীয় কৰিছে । অসমৰ শিৰা-উপশিৰা – নদী কেইখনক অসমীয়া মানুহে প্ৰাণ দি ভাল পায় । যি দেশত জলসিঞ্চনৰ ব্যৱস্থা নাই, সেই দেশত ভঁৰালৰ সঞ্চয় নদীৰ প্ৰসাদতে; বৰষুণ দেৱতাৰ কৃপাৰপৰা বঞ্চিত হলেও কলং, কপিলী, দিখৌ, ডিবৰু, ধনশিৰী, সোৱন-শিৰীৰ কৰুণা-ধাৰাৰ পৰা অসম বঞ্চিত নহয় । "দিখৌ নৈ এৰিব পাৰো মই লাহৰী, জাঁজী নৈ এৰিব পাৰো", এইবোৰতে জাতিৰ নদী-প্ৰীতি সুন্দৰভাৱে প্ৰকাশ পাইছে ।

**71.** বিহুগীতসমূহ বিশ্লেষণ কৰিলে অসমৰ প্ৰকৃতিৰ প্ৰধানকৈ চাৰিখন চিত্ৰ ৰূপায়িত হোৱা দেখা যায়

(A) অসমৰ প্ৰাকৃতিক সম্পদ নদ-নদী গছ-গছনি আৰু পাহাৰ, বনজ সম্পদৰ ভড়াল ।

(B) অসমৰ নদ-নদী, চৰণীয়া পথাৰ আৰু চাপৰি, বনজ সম্পদৰ ভড়াল গছ-গছনি পাহাৰ, মধুৰ গীত পৰিবেশন কৰা চৰাই-চিৰিকটিসমূহ ।

(C) অসমৰ জলজ সম্পদ নদ-নদী, জান-জুৰি আৰু পশু-পক্ষী সমূহ ।

(D) অসমৰ প্ৰাকৃতিক সম্পদৰ ভড়াল-নদ-নদী, পৰ্ব্বত-পাহাৰ, গছ-গছনি ।

**72.** অসমীয়া সভ্যতা-সংস্কৃতিৰ ধ্যান-ধাৰণা বৰ্দ্ধিত হোৱা ঠাইখনৰ অৱস্থিতি –

(A) স্ৰোতস্বিনী চিৰিলুইতৰ বুকু

(B) চিৰ প্ৰবাহিত মহাবাহু লুইতৰ পাৰি

(C) প্ৰকৃতিৰ সঞ্চয় ভঁড়াল লুইতৰ চাপৰি

(D) মহাবাহু লুইতৰ পাৰৰ ৰূপালী বালি

**73.** 'লুইতৰ বালি বগী ধকে ধকি
কাছই কণী পাৰে লেখি ।'

উক্ত গীতফাঁকিত কেনে ছবিৰ প্ৰকাশ পাইছে -

(A) লুইতৰ পাৰৰ বালিৰ চিক্‌মিকনিৰ ছবি

(B) লুইতৰ পাৰত কাছই কণীপৰা দৃশ্যৰ ছবি

(C) লুইতৰ পানীৰ সৌন্দৰ্যৰ ছবি ।

(D) লুইতৰ পাৰৰ প্ৰকৃতিৰ মনোৰম ছবি ।

**74.** অসমীয়াৰ অনুভূতিক যুগে যুগে উদ্দীপ্ত আৰু বিস্ময়ান্বিত কৰি তোলাৰ উপাদান সমূহ –

(A) লুইতৰ পাৰৰ বন, পাৰৰ বালি, চাপৰি, বাঢ়নী ঢল, শিহু-ঘৰিয়াল ।

(B) লুইতৰ ফেনে ফোটোকাৰে বাঢ়ি অহা পানীৰ ঢল

(C) লুইতৰ চাপৰি আৰু নৈসৰ্গিক শোভা

(D) জলজ প্ৰাণীৰ অপূৰ্ব শোভা

**75.** অসমৰ মানুহৰ নদী-প্ৰীতি জাগ্ৰত হোৱাৰ মূল কাৰণ

(A) জলসিঞ্চনৰ ব্যৱস্থা

(B) বিভিন্ন নদ-নদীৰ কৰুণা-ধাৰা

(C) বৰষুণ-দেৱতাৰ কৃপাদৃষ্টি

(D) নদীৰ প্ৰসাদত ভড়ালৰ সঞ্চয়

**Space For Rough Work**